**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 12-04-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

HEDLINE/12-04-2025

১। পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষা। পঞ্চায়ত নিৰ্বাচনৰ বাবে অহা ২ আৰু ৭ মে'ত স্থানীয় বন্ধ ঘোষণা।

২। হাইস্কুল শিক্ষান্ত পৰীক্ষাত চাহ জনগোষ্ঠী আৰু অনুসূচীত জাতিৰ শিক্ষাৰ্থীৰ ফলাফল উন্নত কৰিবলৈ শিক্ষামন্ত্ৰীৰ বিশেষ ব্যৱস্থা গ্ৰহণৰ আশ্বাস।

৩। চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম আৰু ৫ বছৰীয়া সংযুক্ত স্নাতকোত্তৰ পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে **সমৰ্থ প'ৰ্টেল** মুকলি।

৪। হেঁপাহৰ ৰঙালী বিহুলৈ মাজত দুটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি উৎসাহ-উদ্দীপনা।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালিৰ খেলত চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে কলকাতা নাইট ৰাইডাৰ্ছৰ ৮ উইকেটত জয়লাভ।

00000

ৰাজ্যত অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ সমূহ আজি পৰীক্ষা কৰা হ'ব। মনোনয়ন দাখিলৰ অন্তিম দিনটোত কালি প্ৰাৰ্থীসকলে সমৰ্থকসহ শোভাযাত্ৰা কৰি মনোনয়ন দাখিল কৰে। মুঠ ৩৯৭ খন জিলা পৰিষদৰ আসনৰ ভিতৰত বিজেপিয়ে ৩২৩ খনত আৰু অগপই ৭৪ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিছে।

মাজুলী জিলাৰ দুটা আঞ্চলিক পঞ্চায়তৰ ২০ টা সমষ্টিৰ বাবে কালি ৫২ খন মনোনয়ন পত্ৰ দাখিল কৰা হয়।

শিৱসাগৰ জিলাত বিজেপিয়ে শিৱসাগৰ বিধানসভা সমষ্টিৰ চাৰিখন জিলা পৰিষদ, ২৭ টা পঞ্চায়ত আৰু ২৭০ টা ৱাৰ্ডত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। ৰাইজৰ দল আৰু অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীয়েও মনোনয়ন পত্ৰ দাখিল কৰে।

কাছাৰ জিলাতো বিভিন্ন বিধানসভা সমষ্টিৰ পৰা ভাৰতীয় জনতাপাৰ্টিৰ আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু জিলা পৰিষদৰ সদস্যসকলে মনোনয়ন পত্ৰ দাখিল কৰে।

হোজাই জিলাতো কালি লামডিং সমষ্টিৰ অন্তৰ্গত ১৮খন গাঁও পঞ্চায়তৰ প্ৰাৰ্থীসকলে লামডিং সম-জিলা আয়ুক্তৰ কাৰ্যালয় আৰু লামডিং উন্নয়ন খণ্ড বিষয়াৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে।

কামৰূপ জিলাত ১৩৯টা আঞ্চলিক পঞ্চায়ত আৰু এহেজাৰ ৫৮৯ আঞ্চলিক পৰিষদৰ সদস্যৰ বাবে মনোনয়ন পত্ৰ খণ্ড উন্নয়ন কাৰ্যালয় আৰু চক্ৰ বিষয়া কাৰ্যালয়ত দাখিল কৰে। জিলাখনত বিজেপি, অগপ আৰু ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থীসকলে আসন বুজাবুজিৰে মনোনয়ন পত্ৰ দাখিল কৰে। কংগ্ৰেছ দলে জিলা পৰিষদত নিজৰ প্ৰাৰ্থী মনোনীত কৰিছে যদিও ভালেসংখ্যক পদত প্ৰাৰ্থীত্ব আগবঢ়োৱাৰ পৰা বিৰত আছে।

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি বিধানসভা সমষ্টিৰ ৪ খন জিলা পৰিষদৰ আসনৰ বাবে বিজেপিৰ মনোনীত প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ দাখিল কৰে। কংগ্ৰেছৰো ৪ গৰাকী জিলা পৰিষদৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

ৰাজ্যৰ অন্যান্য অংশৰ লগতে তিনিচুকীয়া জিলাখনৰ ৭ খন আঞ্চলিক পঞ্চায়ত, ২২ খন জিলা পৰিষদ, ৮৬ খন গাওঁ পঞ্চায়ত আৰু ৮৬০ টা ৱাৰ্ডৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া সমাপ্ত হয়।

মৰিগাওঁত জিলা পৰিষদৰ সমষ্টিসমূহৰ বাবে মুঠতে ৩৬ খন মনোনয়ন পত্ৰ গ্ৰহণ কৰা হয়। ইয়াৰে মৰিগাঁও বিধানসভা সমষ্টিৰ ৪ খন জিলা পৰিষদৰ বাবে ৯ খন, জাগীৰোড বিধানসভা সমষ্টিৰ ৪ খন জিলা পৰিষদৰ বাবে ৮ খন আৰু লাহৰিঘাট বিধানসভা সমষ্টিৰ ৪ খন জিলা পৰিষদৰ বাবে ১৭ খন মনোনয়ন পত্ৰ দাখিল কৰা হয়। বজালী জিলাতো কালি অন্তিম দিনা অগপ-বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থীসকলে বজালী খণ্ড উন্নয়ন বিষয়া আৰু বজালী জিলা পৰিষদৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। জিলাখনৰ ৫ খন জিলা পৰিষদ আৰু ২৭ খন আঞ্চলিক পঞ্চায়তৰ বাবে বিজেপি-অগপ মিত্ৰজোটৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

দক্ষিণ শালমাৰা মানকাচৰত চাৰিখন জিলা পৰিষদৰ, ৩৫ খন আঞ্চলিক পঞ্চায়ত আৰু ৩৫০ খন গাঁও পঞ্চায়তৰ বাবে প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ দাখিল কৰে।

দৰং জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল সন্দৰ্ভত আমাৰ সংবাদদাতা ময়ূখ গোস্বামীয়ে এইদৰে কয়-

*(বাইট ঃ ময়ূখ গোস্বামী)*

বঙাইগাঁৱৰ ঢালিগাঁও জিলা পৰিষদৰ, ৰাভা-হাচঙৰ দাৰকাত, বৰপেটাৰ হাউলীত আৰু হোজাইৰ কাকী জিলা পৰিষদতো বিজেপিৰ প্ৰাৰ্থীৰ জয় প্ৰায় নিশ্চিত হৈছে।

ইপিনে, নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসন আৰু নিৰ্বাচন আয়োগে প্ৰস্তুতি অব্যাহত ৰখাৰ লগতে বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

ooooo

ৰাজ্য চৰকাৰে পঞ্চায়ত নিৰ্বাচনৰ বাবে ২ আৰু ৭ মে'ত স্থানীয় বন্ধৰ দিন ঘোষণা কৰিছে। এই সন্দৰ্ভত জাৰি কৰা অধিসূচনা অনুসৰি ২ মে'ত ৰাজ্যৰ ১৪ খন জিলা আৰু ৭ মে'ত ১৩ খন জিলাত স্থানীয় বন্ধ থাকিব। প্ৰথম পৰ্যায়ত অৰ্থাৎ ২ মে'ত নিৰ্বাচন হ'বলগীয়া জিলাকেইখন হৈছে— তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি। সেইদৰে দ্বিতীয় পৰ্যায়ত ৭ মে'ত নিৰ্বাচন হ'বলগীয়া জিলাকেইখন হৈছে- ধুবুৰী,

দক্ষিণ শালমাৰা, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ মহানগৰ, হোজাই, মৰিগাঁও, নগাঁও আৰু দৰং জিলা।

ooooo

পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যিক বিজেপিয়ে ৪০ জনীয়া তাৰকা প্ৰচাৰকৰ তালিকা ঘোষণা কৰিছে। ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পল্লৱ লোচন দাসে প্ৰকাশ কৰা অনুসৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, দলৰ সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পৱিত্ৰ মাৰ্ঘেৰিটাকে ধৰি ৰাজ্য চৰকাৰৰ মন্ত্ৰী আৰু সাংসদসকলে পঞ্চায়ত নিৰ্বাচনৰ তাৰকা প্ৰচাৰক হিচাপে নিৰ্বাচনী প্ৰচাৰত ভাগ ল'ব।

বিজেপিয়ে ইতিমধ্যে দ্বিতীয়খন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। বিজেপিয়ে অগপ, ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতি আৰু গণ শক্তিৰে মিত্ৰজোঁট গঠন কৰি আসন্ন পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মিত্ৰজোঁটৰ অগপই নিজৰ প্ৰতীক চিহ্নৰে নিৰ্বাচন খেলিব যদিও ৰাভা হাচং যৌথ মঞ্চ আৰু গণশক্তিয়ে বিজেপিৰ প্ৰতীক চিহ্নৰে নিৰ্বাচনত অৱতীৰ্ণ হ'ব। এই নিৰ্বাচনত ৩৯৭ খন জিলা পৰিষদৰ আসনৰ ভিতৰত ৩২৩ খন আসনত বিজেপি মিত্ৰজোঁটে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰে ৭৪ খন আসন মিত্ৰদল অগপক এৰি দিয়া হৈছে। ১৭২ খন আসনত মিত্ৰজোঁটৰ মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিজেপি মিত্ৰজোঁটৰ হৈ ২৭ খন প্ৰচাৰ সভাত অংশগ্ৰহণ কৰাৰ লগতে ৰাজ্যিক সভাপতি দিলীপ শইকীয়াইও অৰ্ধ শতাধিক প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব বুলি দলটোৱে জানিবলৈ দিছে।

পঞ্চায়ত নিৰ্বাচনৰ কাৰণে ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে এতিয়ালৈকে প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰিব পৰা নাই।

ooooo

ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ নৱ নিৰ্বাচিত পাৰিষদসকলে কাইলৈ শপতগ্ৰহণ কৰিব। দুধনৈৰ ৰাভা-হাচং স্বায়ত্ব পৰিষদৰ কাৰ্যালয়ত শপত গ্ৰহণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী বিধায়ক এই কাৰ্যসূচীত অংশ লোৱাৰ কথা।

ooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত চাহ জনগোষ্ঠী আৰু অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ ফলাফল আশানুৰূপ নোহোৱাক লৈ উদ্বেগ প্ৰকাশ কৰিছে। ডাঃ পেগুৱে কালি এখন সংবাদমেলত অনাগত সময়ত এই দুই জাতি-জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলৰ ফলাফল ভাল কৰিবলৈ শিক্ষা বিভাগে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰে। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ছাত্ৰৰ তুলনাত ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ কিছু নিম্নগামী হোৱাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষামন্ত্ৰীগৰাকীয়ে বাণীকান্ত কাকতি বঁটা আৰু মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি বহুলভাৱে ৰূপায়ণ কৰাৰ পোষকতা কৰে। ডাঃ পেগুৱে এটা বাৰ্তাত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদক মাত্ৰ ৩৬ দিনতে পৰীক্ষাৰ ফলাফল ঘোষণা কৰি বিহাৰৰ পিছতেই দেশৰ দ্বিতীয়খন পৰিষদ ৰূপে পৰিচিত হোৱাৰ বাবে অভিনন্দন জনায়। তেওঁ কয়, যে কম সময়ৰ ভিতৰতে ফলাফল ঘোষণাৰ ফলত বিহুৰ বন্ধৰ পাছতে উচ্চতৰ মাধ্যমিকত নামভৰ্তিৰ ক্ষেত্ৰত মূল্যবান সময় ৰাহি হ'ব।

উল্লেখযোগ্য যে কালি ঘোষণা কৰা এই বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ হৈছে ৬৩ দশমিক ৯-৮ শতাংশ। পৰীক্ষাত অৱতীৰ্ণ হোৱা ৪ লাখ ২২ হাজাৰ ৭৩৭ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৮৯ হাজাৰ ৪১ গৰাকী শিক্ষাৰ্থী প্ৰথম বিভাগত, এক লাখ ৩৫ হাজাৰ ৫৬৮ গৰাকী দ্বিতীয় বিভাগত আৰু ৪৫ হাজাৰ ৮৬২ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। ৮৫ দশমিক ৫-৫ শতাংশ উত্তীৰ্ণৰ হাৰেৰে শিৱসাগৰ জিলাই প্ৰথম স্থান, ৮১ দশমিক ১-০ শতাংশৰে ডিব্ৰুগড় জিলাই দ্বিতীয় আৰু ৮০ দশমিক ৬-৪ শতাংশ উত্তীৰ্ণৰ হাৰেৰে ধেমাজি জিলাই তৃতীয় স্থান দখল কৰে। ইপিনে ৪৭ দশমিক ৯-৬ শতাংশ উত্তীৰ্ণ হাৰেৰে শ্ৰীভূমি জিলা হতাশাজনক প্ৰদৰ্শনেৰে তালিকাৰ শেষত থাকে।

হাইস্কুল শিক্ষান্ত পৰীক্ষাত যোৰহাট জিলাৰ প্ৰজ্ঞা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ আমিষী শইকীয়াই শীৰ্ষস্থান দখল কৰাৰ লগতে নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ সপ্তৰ্শ্ব বৰদলৈয়ে দ্বিতীয় আৰু যোৰহাটৰ প্ৰজ্ঞা একাডেমীৰ অনিৰ্বান বৰগোঁহায়ে তৃতীয় স্থান লাভ কৰে।

ooooo

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম আৰু ৫ বছৰীয়া সংযুক্ত স্নাতকোত্তৰ পাঠ্যক্ৰমত নাম ভৰ্তিৰ বাবে ৰাজ্য চৰকাৰৰ উচ্চ শিক্ষা বিভাগে **সমৰ্থ প'ৰ্টেল** মুকলি কৰিছে। ইচ্ছুক শিক্ষাৰ্থীসকলে নাম ভৰ্তিৰ বাবে এই প'ৰ্টেলৰ জৰিয়তে পঞ্জীয়ন কৰিব পাৰিব। প'ৰ্টেলটোত ছাত্ৰ-ছাত্ৰীয়ে দ্বাদশ শ্ৰেণীৰ ফলাফল ঘোষণাৰ পাছতে শিক্ষানুষ্ঠান তথা পাঠ্যক্ৰমসমূহ বাচনি কৰিব পাৰিব। শিক্ষানুষ্ঠানসমূহে অহা ৫ মে'ৰ ভিতৰত প্ৰছপেক্টাছসমূহ প'ৰ্টেলত আপলোড কৰিব লাগিব। প'ৰ্টেলত আবেদন জনাবলৈ ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী অনুমোদিত নথিহে ব্যৱহাৰ কৰিব পাৰিব। আবেদনৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে কোনো ধৰণৰ পঞ্জীয়ন মাচুল আদায় দিব নালাগে। ৰাজ্য চৰকাৰে নিৰ্ধাৰণ কৰা অনুমোদিত নামভৰ্তি মাচুলহে ছাত্ৰ-ছাত্ৰীয়ে আদায় দিব লাগিব। পৰৱৰ্তী সময়ত এই প'ৰ্টেলতেই নামভৰ্তিৰ দিন ঘোষণা কৰা হ'ব।

ooooo

হেঁপাহৰ ৰঙালী বিহুলৈ মাজত দুটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণৰ মনত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। প্ৰতিকূল সময়ৰ প্ৰত্যাহ্বান নেওচি অসমীয়াই বছৰি হেঁপাহৰ উৎসৱটি পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰি আহিছে। এইবাৰো চৌদিশে পঞ্চায়ত নিৰ্বাচনৰ ব্যস্ততাৰ মাজতো অসমবাসীৰ বিহুৰ উৎসাহ অটুট আছে। উজনিৰ পৰা নামনিলৈ বিহুৰ আখৰা কৰা ডেকাৰ ঢোলৰ গুমগুমনি আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। গুৱাহাটী মহানগৰীত বিহুৰ প্ৰস্তুতি অব্যাহত থকাৰ লগতে অসমীয়া নৱবৰ্ষৰ বাবে নতুন সাজ-পাৰ ক্ৰয় কৰি আপোনজনক উপহাৰ দিয়াৰ বাবে জনসাধাৰণে বজাৰসমূহত ভিৰ কৰা পৰিলক্ষিত হৈছে। আনহাতে, ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে।

হোজাইৰ কাকিত জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত কৰ্মশালাৰ কালি অন্ত পৰে। কৰ্মশালাৰ অন্তত মৰিগাঁৱৰ ৫ গৰাকী বিহুৰ প্ৰশিক্ষকৰ লগতে জিলাখনৰ কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

ooooo

আবৃত্তি এটা পৰিৱেশ্য কলা হ'ব পাৰেনে? সংগীত নাটক একাডেমীয়ে অসমীয়া ভাষাৰ আবৃত্তিক পৰিৱেশ্য কলাৰ স্বীকৃতি দিয়াৰ ক্ষেত্ৰত উদ্ভৱ হোৱা বিভিন্ন বিষয়ক আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত আবৃত্তিৰ সৈতে জড়িত কেইবাগৰাকীও ব্যক্তিয়ে মতামত আগবঢ়াব।

আকাশবাণীৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমৰ বিভিন্ন জনগোষ্ঠীৰ পৰম্পৰাগত ৰঙালী বিহু পালনৰ বিষয়ে এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই দুয়োটা অনুষ্ঠানৰ প্ৰযোজনা আৰু পৰিচালনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ কালি নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে ৮ উইকেটত জয়লাভ কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ অধিনায়ক আজিংক্য ৰাহানেই টছত জিকি চেন্নাইৰ দলটোক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনায়। মহেন্দ্ৰ সিং ধোনী নেতৃত্বাধীন চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই মাত্ৰ ১০৩ ৰাণ সংগ্ৰহ কৰে। কলকাতাৰ হৈ সুনীল নাৰায়ণে ৩টা আৰু বৰুণ চক্ৰৱৰ্তী আৰু হৰ্ষিত ৰাণাই দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত কলকাতাই মাত্ৰ ১১ অভাৰতেই বিজয় লক্ষ্যত উপনীত হয়। দলৰ হৈ সুনীল নাৰায়ণে ১৮টা বলত ৪৪ ৰাণৰ বৰঙণি আগবঢ়ায়। চেন্নাইৰ হৈ অংশুল কাম্বোজ আৰু নুৰ আহমেদে এটাকৈ উইকেট দখল কৰে। সুনীল নাৰায়ণক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ গুজৰাট টাইটানছৰ মুখামুখি হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। আজিৰ আন এখন খেলত সন্ধিয়াৰে চাৰে ৭ বজাত পাঞ্জাব কিংছ্ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

## NEWSPAPER REVIEW

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা, ৪০ গৰাকী তাৰকা প্ৰচাৰকক লৈ বিজেপিৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ প্ৰস্তুতি, ২৬/১১-ৰ মুম্বাইৰ আক্ৰমণৰ খলনায়ক তহববুৰ ৰাণাক ১৮ দিনৰ বাবে এন আই এ-ৰ জিম্মালৈ প্ৰেৰণ আদি বিভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

**অসমীয়া প্ৰতিদিন কাকতে** কালি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ সাফল্যৰ এটা বাতৰিক প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। কাকতখনে উচ্চ ন্যায়ালয় স্থানান্তৰক লৈ ন্যায়াধীশৰ বিৰুদ্ধে বিৰোপ মন্তব্য কৰাৰ গোচৰত তিনিজন অধিবক্তালৈ উচ্চ ন্যায়ালয়ে জাননী প্ৰেৰণ কৰাৰ আন এটা বাতৰিক প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ কালি অন্তিম দিনা ৰাজ্যৰ ২৭ খন জিলাত ২১ হাজাৰ ৯২০ খন গাঁও পঞ্চায়ত, ৩৯৭ খন জিলা পৰিষদ আৰু ২ হাজাৰ ১৯২টা আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ বাবে মনোনয়ন পত্ৰ গ্ৰহণ কৰা হয়। এই বাতৰিটোক **দৈনিক জনমভূমি** কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ডেৰ লক্ষ মেট্ৰিক ফেইল ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতক লৈ প্ৰশ্ন শিৰোনামেৰে আমাৰ **অসম কাকতে** এটা বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**দৈনিক অসম কাকতে** অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ৩৮ দিনত চমক সৃষ্টিৰে ফলাফল ঘোষণা কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৬৩ দশমিক ৯-৮ শতাংশ উত্তীৰ্ণ হোৱা বাতৰিটোক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে **দি আছাম ট্ৰিবিউন** কাকতেও প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতে এই বাতৰিটোক মেট্ৰিকত উত্তীৰ্ণ হাৰ ১১ দশমিক ৭-২ শতাংশ হ্ৰাস শিৰোনামেৰে প্ৰকাশ কৰিছে।

**দা ছেণ্টিনেল** কাকতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত শীৰ্ষস্থান দখল কৰা তিনিওগৰাকী শিক্ষাৰ্থীয়ে সুনাগৰিক হিচাপে মানৱ সেৱাত নিয়োজিত হ'ব বিচৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমৰ শৈক্ষিক সংস্কাৰৰ ক্ষেত্ৰত এইবাৰৰ মেট্ৰিকৰ ফলাফল ঐতিহাসিক বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা আন এটা বাতৰিক **অসমীয়া খবৰ কাকতে** প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

২৬/১১-ৰ মুম্বাইৰ আক্ৰমণৰ খলনায়ক তহববুৰ ৰাণাক ১৮ দিনৰ বাবে এন আই এ-ৰ জিম্মালৈ প্ৰেৰণ কৰাৰ বাতৰিটো টা টাইমছ অৱ ইণ্ডিয়া কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, অৰুণাচল প্ৰদেশৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০

সমাপ্ত